**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 21-10-2024
**Time :** 07-05 hrs

ASSAMESE MORNING BULLETIN

# HEADLINES

**::::::::::::::::::::**

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী যোড়শ ব্ৰিকছ্ সন্মিলনত অংশগ্ৰহণৰ উদ্দেশ্যে আজি ৰাছিয়ালৈ যাব।

২। শ্ৰম আৰু নিয়োগ মন্ত্ৰী ড০ মনসুখ মন্দাভিয়াই আজি নতুন দিল্লীত অসংগঠিত ক্ষেত্ৰৰ কৰ্মীসকলৰ সূচলতাৰ বাবে ই-শ্ৰম পোৰ্টেল মুকলি কৰিব।

৩। মালদ্বীপৰ ৰাষ্ট্ৰপতি ড০ মহম্মদ মুইজ্জুৱে দেশখনত ভাৰতৰ উমৈহতীয়া ধনাদায় মঞ্চ ইউ পি আইৰ সুবিধা মুকলি কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে।

৪। ভাৰতৰ অৰ্জুন কাধে আৰু ঋত্বিক বল্লিপাল্লিয়ে অলমেটি অ'পেন ২০২৪ টেনিছ্ প্ৰতিযোগিতাত পুৰুষৰ ডাবলছ্ শাখাৰ খিতাপ অৰ্জন কৰিছে। **আৰু**

৫। পানাজীৰ ৰাষ্ট্ৰীয় পেৰা সাঁতোৰ প্ৰতিযোগিতাত কৰ্ণাটককে ধৰি কেইবাখনো ৰাজ্যই উৎকৃষ্ট প্ৰদৰ্শন কৰিছে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী যোড়শ ব্ৰাজিল, ৰাছিয়া, ভাৰত, চীন আৰু দক্ষিণ আফ্ৰিকা অৰ্থাৎ ব্ৰিকছ্ সন্মিলনত অংশগ্ৰহণ কৰাৰ উদ্দেশ্যে আজি ৰাছিয়ালৈ যাব। প্ৰধানমন্ত্ৰীয়ে এই সন্মিলনৰ আপাহঁতে সদস্য ৰাষ্ট্ৰৰ নেতা তথা অন্যান্য আমন্ত্ৰিত ব্যক্তিসকলৰ সৈতে দ্বিপাক্ষিক বৈঠকত মিলিত হ'ব। ব্ৰিকছ্ৰ সদস্য ৰাষ্ট্ৰৰ সংখ্যা ৯ খনলৈ বৃদ্ধি পোৱাৰ পাছত এইবাৰ প্ৰথমবাৰৰ বাবে এই সন্মিলন অনুষ্ঠিত হৈছে। ২০২৩ চনত দক্ষিণ আফ্ৰিকাত অনুষ্ঠিত ব্ৰিকছ্ সন্মিলনত ইজিপ্ত, ইৰাণ, ইথিওপিয়া আৰু সংযুক্ত আৰৱ আমিৰি ৰাষ্ট্ৰক অন্তৰ্ভুক্ত কৰাৰ প্ৰস্তাৱ আগবঢ়োৱা হৈছিল। বিদেশ পৰিক্ৰমা মন্ত্ৰালয়ে এটা বিবৃতিত প্ৰকাশ কৰা অনুসৰি প্ৰধানমন্ত্ৰী মোদীয়ে ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমিৰ পুটিনৰ আমন্ত্ৰণমৰ্মে কাইলৈ আৰু পৰহিলৈ কাজানত অনুষ্ঠিত ব্ৰিকছ্ সন্মিলনত অংশ ল'ব। এইবাৰৰ এই সন্মিলনৰ বিষয় হৈছে- **গোলকীয় বিকাশ আৰু সুৰক্ষাৰ বাবে বহুপাক্ষিকতা শক্তিশালী কৰা**। এই সন্মিলনে বিশ্বৰ নেতাসকলক গুৰুত্বপূৰ্ণ গোলকীয় বিষয় সন্দৰ্ভত আলোচনা কৰাৰ বাবে এখন মঞ্চ প্ৰদান কৰিব। তদুপৰি এই সন্মিলনে ব্ৰিকছ্ ৰাষ্ট্ৰগোষ্ঠীয়ে গ্ৰহণ কৰা বিভিন্ন পদক্ষেপৰ অগ্ৰগতি সন্দৰ্ভত আলোচনা কৰা তথা ভৱিষ্যতৰ সহযোগিতাৰ সম্ভাৱনাময় ক্ষেত্ৰসমূহ চিনাক্ত কৰাৰ ক্ষেত্ৰত বিশেষ সুযোগ প্ৰদান কৰিব। মূল বৈঠকৰ উপৰিও **ব্ৰিকছ আৰু গোলকীয় দক্ষিণ ঃ একেলগে বিশ্বৰ ভৱিষ্যৎ নিৰ্মাণ** বিষয়ত ব্ৰিকছ্ প্লাছ বৈঠকো অনুষ্ঠিত হ'ব। এই বৈঠকত এছিয়া, আফ্ৰিকা, মধ্য প্ৰাচ্য আৰু দক্ষিণ আমেৰিকাৰ প্ৰতিনিধিসকলে অংশগ্ৰহণ কৰিব।

ooooo

শ্ৰম আৰু নিয়োগ মন্ত্ৰী ড০ মনসুখ মন্দাভিয়াই আজি নতুন দিল্লীত অসংগঠিত ক্ষেত্ৰৰ কৰ্মীসকলৰ সূচলতাৰ বাবে ই-শ্ৰম পোৰ্টেল মুকলি কৰিব। এই মঞ্চৰ জৰিয়তে অসংগঠিত ক্ষেত্ৰৰ কৰ্মীসকলে বিভিন্ন চৰকাৰী আঁচনিৰ সুবিধা সহজে লাভ কৰিব। এই পদক্ষেপৰ প্ৰাথমিক লক্ষ্য হৈছে - একক মঞ্চৰ জৰিয়তে

সক্ৰিয়ভাৱে অসংগঠিত ক্ষেত্ৰৰ কৰ্মীসকলৰ বাবে থকা সকলো সামাজিক সুৰক্ষা তথা কল্যাণমূলক আঁচনিৰ হিতাধিকাৰীৰ বিষয়ে তথ্য যুগুত কৰা। এই পদক্ষেপে অসংগঠিত ক্ষেত্ৰৰ কৰ্মীসকলক তেওঁলোকৰ বাবে থকা আঁচনিসমূহ সন্দৰ্ভত সজাগ কৰি তুলিব।

০০০০০

অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই খিলঞ্জীয়া লোকক ভূমি পট্টা প্ৰদানৰ বাবে গুৱাহাটীত কালি মিছন বসুন্ধৰাৰ তৃতীয় সংস্কৰণ মুকলি কৰে। তৃতীয় পৰ্যায়ৰ মিছন বসুন্ধৰাৰ অধীনত ভূমি সম্পৰ্কীয় বিভিন্ন সেৱা ডিজিটাইজ কৰাৰ লগতে মানচিত্ৰ প্ৰকাশ আৰু জনসাধাৰণক ভূমিৰ অধিকাৰ প্ৰদান কৰাৰ প্ৰক্ৰিয়াটো সৰলীকৰণ কৰিবলৈ নতুন নিয়ম ৰূপায়ণ কৰা হৈছে।

মুখ্যমন্ত্ৰী শৰ্মাই লগতে ৰাজহ বিভাগৰ পঞ্জীভুক্ত নোহোৱা আৰু বিকল্প পঞ্জীয়নৰ নথিৰ বাবে **ডিজিডক** শীৰ্ষক এটা ডিজিটেল নিৰ্দেশক মুকলি কৰে। ইয়াৰ জৰিয়তে ভূমি পঞ্জীয়নৰ সেৱা সৰলীকৰণ কৰি তোলা হ'ব। অনুষ্ঠানত ভাষণ দি মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে, শাসনলৈ অহাৰ পাছতে তেওঁৰ চৰকাৰে তাৎক্ষণিকভাৱে ৰাজ্যখনৰ খিলঞ্জীয়া লোকসকলক ভূমি পট্টা প্ৰদানৰ সিদ্ধান্ত গ্ৰহণ কৰিছিল। এই উদ্দেশ্য আগত ৰাখিয়েই ২০২১ চনত মিছন বসুন্ধৰা আৰম্ভ কৰা হৈছিল বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে লগতে কয় যে,  ইতিপূৰ্বে মিছন বসুন্ধৰাৰ প্ৰথম সংস্কৰণৰ অধীনত ৯ মাহত ভূমি পট্টা সম্পৰ্কীয় ৮ লাখ আবেদন নিষ্পত্তি কৰাৰ লগতে দ্বিতীয় সংস্কৰণত এবছৰত ২ লাখতকৈও অধিক খিলঞ্জীয়া লোকক ভূমি পট্টা প্ৰদান কৰা হৈছে।

০০০০০

মালদ্বীপৰ ৰাষ্ট্ৰপতি ড০ মহম্মদ মুইজ্জুৱে দেশখনত ভাৰতৰ উমৈহতীয়া ধনাদায় মঞ্চ ইউ পি আইৰ সুবিধা মুকলি কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। ৰাষ্ট্ৰপতিৰ কাৰ্যালয়ে ঘোষণা কৰা অনুসৰি কেবিনেটৰ পৰামৰ্শমৰ্মে এই সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। এই পদক্ষেপৰ জৰিয়তে মালদ্বীপৰ অৰ্থনীতিত বিত্তীয় অন্তৰ্ভুক্তি, লেনদেনত উন্নত সুবিধা আৰু বৰ্ধিত ডিজিটেল আন্তঃগাঁথনিকে ধৰি কেইবাটাও সুবিধা উপলব্ধ হ'ব বুলি আশা কৰা হৈছে। ভাৰতীয় পৰ্যটকসকলে ইয়াৰ জৰিয়তে মুদ্ৰা পৰিৱৰ্তন নকৰাকৈ ইউ পি আই সক্ৰিয় এপৰ জৰিয়তে ধনাদায় দিয়াৰ সুবিধা লাভ কৰিব। এইক্ষেত্ৰত ৰাষ্ট্ৰপতি ড০ মুইজ্জুৱে দেশখনত ইউ পি আইৰ সুবিধা মুকলি কৰাৰ সুচলতা সুনিশ্চিত কৰিবলৈ এটা গোট গঠনৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। তেওঁ লগতে দেশখনৰ বেংকসমূহ, টেলিকম সংস্থা, ৰাজহুৱা সংস্থা তথা বিত্তীয় প্ৰযুক্তি সংস্থাসমূহক এই গোটত অন্তৰ্ভুক্ত কৰাৰ পৰামৰ্শ দিছে। চলিত বৰ্ষৰ আগষ্টত বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ জয়শংকৰৰ মালদ্বীপ ভ্ৰমণৰ সময়ছোৱাত দেশখনত ইউ পি আইৰ সুবিধা মুকলি কৰাৰ বাবে দেশদুখনৰ মাজত বুজাবুজিৰ চুক্তি স্বাক্ষৰিত হৈছিল। উল্লেখযোগ্য যে সংযুক্ত আৰৱ আমিৰি ৰাষ্ট্ৰ, শ্ৰীলংকা, ফ্ৰান্স, মালয়েছিয়া, ছিংগাপুৰ, নেপাল, গ্ৰেট ব্ৰিটেইন তথা মৰিচাছকে ধৰি কেইবাখনো ৰাষ্ট্ৰত ভাৰতীয় ৰাষ্ট্ৰীয় ধনাদায় নিগমৰ বিত্তীয় লেনদেন মঞ্চৰ সা-সুবিধাসমূহ উপলব্ধ। ইউ পি আইৰ সুবিধা ৰূপায়ণ হোৱাৰ লগে লগে ভাৰতে মিত্ৰদেশসমূহৰ সৈতে উন্নয়নমূলক অভিজ্ঞতা বিনিময় কৰাৰ প্ৰতিশ্ৰুতিবদ্ধতা বাহাল ৰাখিছে।

০০০০০

কৰ্মচাৰীৰ ভৱিষ্যনিধি সংস্থা ই পি এফ অ'ই চলিত বৰ্ষৰ আগষ্ট মাহত ১৮ লাখ ৫৩ হাজাৰ মুঠ সদস্য পঞ্জীয়ন কৰিছে। মন্ত্ৰালয়ে প্ৰকাশ কৰা অনুসৰি এই মাহটোত ৯ লাখ ৩০ হাজাৰ নতুন সদস্যই নিজৰ নাম পঞ্জীয়ন কৰে। নতুন সদস্যসকলৰ ভিতৰত ২ লাখ ৫৩ হাজাৰ মহিলা বুলি মন্ত্ৰালয়ে প্ৰকাশ কৰিছে। বৰ্ধিত

নিয়োগৰ সুবিধা, কৰ্মচাৰী লাভালাভৰ বিষয়ে বৰ্ধিত সজাগতা তথা ই পি এফৰ সফল জনসম্পৰ্কৰক্ষী কাৰ্যসূচীসমূহৰ জৰিয়তে বিপুল সংখ্যক নতুন সদস্য-সদস্যাই নাম পঞ্জীয়ন কৰা বুলি মন্ত্ৰালয়ে মত প্ৰকাশ কৰিছে। মন্ত্ৰালয়ৰ তথ্য অনুসৰি বিগত বৰ্ষৰ একেটা মাহৰ তুলনাত বাৰ্ষিক ভিত্তিত এই বৃদ্ধি ৯ শতাংশতকৈ অধিক।

০০০০০

কাশ্মীৰ উপত্যকাৰ বাৰামুল্লা জিলাৰ উড়ি অঞ্চলৰ নিয়ন্ত্ৰণ ৰেখাৰ সমীপত নিৰাপত্তা বাহিনীৰে হোৱা সংঘৰ্ষত এটা সশস্ত্ৰ সন্ত্ৰাসবাদী নিহত হয়। আৰক্ষী সূত্ৰই প্ৰকাশ কৰা অনুসৰি অঞ্চলটোত জম্মু-কাশ্মীৰৰ আৰক্ষী তথা ভাৰতীয় সেনাৰ যুটীয়া বাহিনীয়ে চলোৱা অনুপ্ৰৱেশ বিৰোধী অভিযানত সন্ত্ৰাসবাদী কেইটামানৰ সন্দেহজনক চালচলন ধৰা পৰে। পাছত সন্ত্ৰাসবাদীকেইটাই মুকলিকৈ গুলীচালনা কৰাত নিৰাপত্তা বাহিনীয়ে চলোৱা প্ৰতি আক্ৰমণত এটা সন্ত্ৰাসবাদী নিহত হয়। মৃত সন্ত্ৰাসবাদীটোৰ পৰিচয় নিশ্চিত কৰাৰ প্ৰচেষ্টা অব্যাহত আছে। নিৰাপত্তাবাহিনীয়ে ঘটনাস্থলীৰ পৰা এটা এ কে ৰাইফল, দুটা এ কে মেগজিন, ৫৭ এ কে ৰাউণ্ড, দুটা পিষ্টল, ৩টা পিষ্টলৰ মেগজিনকে ধৰি বুজন পৰিমাণৰ অস্ত্ৰ-শস্ত্ৰ উদ্ধাৰ কৰে।

০০০০০

ভাৰতৰ অৰ্জুন কাধে আৰু ঋত্বিক বল্লিপাল্লিয়ে কালি কাজাখস্থানত আয়োজিত অলমেটি অ'পেন ২০২৪ এটিপি-250 টেনিছ প্ৰতিযোগিতাত পুৰুষৰ ডাবলছ শাখাৰ খিতাপ অৰ্জন কৰিছে। কাধে আৰু বল্লিপাল্লিয়ে কলম্বিয়াৰ নিক'লাছ বেৰিয়নট'ছ আৰু টিউনিছিয়াৰ স্কেন্দাৰ মনচৌৰিক ছুপাৰ টাইব্ৰেকাৰত পৰাস্ত কৰি এই খিতাপ অৰ্জন কৰে। ভাৰতীয় টেনিছ খেলুৱৈদ্বয়ে বিগত বৰ্ষত ইটালীৰ অ'লবিয়াত চেলেঞ্জাৰ খিতাপ অৰ্জন কৰাৰ পাছত এইবেলি ছেমি ফাইনেলত জাৰ্মানীৰ জেক'ব স্নেইটাৰ আৰু মাৰ্ক ৱালনাৰৰ যুটীটোক পৰাস্ত কৰি তেওঁলোকৰ প্ৰথমখন এটিপি ফাইনেলত খেলাৰ সুযোগ লাভ কৰে।

০০০০০

ৰাজস্থানৰ লক্ষন সিঙে কালি পানাজীৰ ৰাষ্ট্ৰীয় পেৰা সাঁতোৰ প্ৰতিযোগিতাৰ পুৰুষৰ এছ্-ফৰ ১০০ মিটাৰ ফ্ৰীষ্টাইল শাখাত সোণৰ পদক অৰ্জন কৰে। প্ৰতিযোগিতাত ওড়িশাৰ কমল কান্তে ৰূপৰ পদক অৰ্জন কৰাৰ বিপৰীতে হাৰিয়ানাৰ বলৰাজে ব্ৰঞ্জৰ পদক লাভ কৰে। ইপিনে এছ্-ফাইভ ১০০ মিটাৰ ফ্ৰী ষ্টাইলত ওড়িশাৰ নৰ হৰিয়ে সোণৰ, অন্ধ্ৰপ্ৰদেশৰ লক্ষ্মৰাওৱে ৰূপৰ আৰু বিহাৰৰ শ্মছ আলমে ব্ৰঞ্জৰ পদক লাভ কৰে। এছ্-ছিক্স ১০০ মিটাৰ ফ্ৰী ষ্টাইলত মহাৰাষ্ট্ৰৰ চৈতন্য বিশ্বাসে সোণৰ পদক অৰ্জন কৰে। আনহাতে কৰ্ণাটকৰ তেজছে এছ্-ছেভেন শাখাত, শ্ৰীধৰে এছ্-এইট শাখাত, ছাহিল ৰাজাৰামে এছ্-নাইন শাখাত আৰু কপিল কুমাৰে এছ্-টেন শাখাত সোণৰ পদক অৰ্জন কৰে।

০০০০০

আকাশবাণীৰ বাতৰি সেৱা বিভাগৰ দ্বিভাষিক ফোন ইন অনুষ্ঠান পাব্লিক স্পীকত আজি নিশা চাৰে ৯ বজাত **ডিজিটেল জীৱিত থকাৰ প্ৰমাণপত্ৰ** সন্দৰ্ভত পেন্সন আৰু পেন্সনাৰৰ কল্যাণ বিভাগৰ যুটীয়া সচিব ধ্ৰুৱজ্যোতি সেনগুপ্তৰ সৈতে হোৱা এলানি বিশেষ আলোচনা সম্প্ৰচাৰ কৰা হ'ব। আগ্ৰহী শ্ৰোতাসকলে অনুষ্ঠান চলি থকাৰ সময়ত ০১১-২৩৪২ ১০৫০ আৰু ০১১ ২৩৩১ ৪৪৪৪ নম্বৰত ফোন কৰি সমল ব্যক্তিগৰাকীক জীৱিত থকাৰ ডিজিটেল প্ৰমাণপত্ৰৰ গুৰুত্ব, ইয়াৰ বাবে যাৱতীয় ব্যৱস্থা আদি সন্দৰ্ভত প্ৰশ্ন সুধিব পাৰিব। তেওঁলোকে লগতে ৱাটছএপ যোগে ৯২৮৯০ ৯৪০৪৪ নম্বৰলৈও প্ৰশ্ন প্ৰেৰণ কৰিব পাৰিব। আকাশবাণীৰ এফ এম গ'ল্ড চেনেল আৰু অতিৰিক্ত ফ্ৰিকুয়েন্সিসমূহৰ যোগেদি এই অনুষ্ঠান প্ৰচাৰ কৰা

হ'ব। শ্ৰোতাসকলে আমাৰ ৱেৱছাইট newsonair.co.in আৰু ইউটিউব চেনেল newsonairofficial যোগেও এই অনুষ্ঠান শুনিবলৈ পাব।

০০০০০

সমাপ্ত